As per CBCS Syllabus


# শিক্ষাদান কৌশলৰ বিকাশ

## (Developing Teaching Skill)

গুৱাহাটী বিশ্ববিদ্যালয়

**B.A. 6th Semester in Education**

**Skill Enhancement Course**



**Paper Code:Edu-SE-6014**

ড° নিৰঞ্জন ঠেঙাল

ৰুবী দত্ত

UNION Book publication

## শিক্ষাদান কৌশলৰ ধাৰণা (Concept of Teaching Skill)

শিক্ষাৰ্থীৰ শিক্ষা গ্ৰহণ কাৰ্য সহজ, ৰুচিপূৰ্ণ আৰু বোধগম্য কৰি তুলিবলৈ শ্ৰেণীকক্ষত শিক্ষকে কেতবোৰ কাম কাজ তথা আচৰণ প্ৰদৰ্শন কৰে। যেনে- ব্লেকব'ৰ্ডত লিখন, প্ৰশ্নবান, ব্যাখ্যা কৰা, উদাহৰণ দিয়া আদি। শিক্ষকে প্ৰদৰ্শন কৰা এনেবোৰ আচৰণকে শিক্ষাদান কৌশল বুলি কোৱা হয়। অৰ্থাৎ শিক্ষাৰ্থীৰ শিক্ষা আহৰণত সহায় কৰিবলৈ শ্ৰেণীকক্ষত শিক্ষকে সম্পাদন কৰা কিছুমান পৰস্পৰ সম্পৰ্কযুক্ত কাৰ্যকলাপৰ সমষ্টিয়েই হ'ল শিক্ষাদান কৌশল। এই শিক্ষাদান কৌশল সম্পৰ্কে বিভিন্ন শিক্ষাবিদে বিভিন্ন মত আগবঢ়াইছে। তলত কেইটামান গুৰুত্বপূৰ্ণ মত তুলি ধৰা হ'ল।

## শিক্ষাদান কৌশলৰ সংজ্ঞা (Definitions of Teaching Skill)

১) Brown ৰ মতে, "শিক্ষাৰ্থীৰ শিক্ষা গ্ৰহণ সুচল কৰাৰ অভিপ্ৰায়েৰে সম্পাদন কৰা কেতবোৰ পৰস্পৰ সম্পৰ্কযুক্ত কাৰ্য বা আচৰণৰ সমষ্টিয়েই হ'ল শিক্ষাদান কৌশল।" (Teaching skills are a set of related teaching act or behavriours performed with the intention to facilitate pupil's learning.)

২) N.L. Gage ৰ মতে, "শিক্ষাদান কৌশল হ'ল শিক্ষকে শ্ৰেণীকক্ষত ব্যৱহাৰ কৰিব পৰা কিছুমান বিশেষ নিৰ্দেশনাত্মক কৌশল আৰু পদ্ধতি। এই কৌশল আৰু পদ্ধতিসমূহে শিক্ষাদান প্ৰক্ৰিয়াক কিছুমান

আপেক্ষিক ভাৱে পৃথক উপাংশত বিশ্লেষণ কৰাকে সূচায় যাক শিক্ষকৰ কাৰ্যৰ ধাৰাবাহিকতা ৰক্ষাৰ বাবে বেলেগ বেলেগ জোঁটত ব্যৱহাৰ কৰিব পাৰি।" (Teaching skills are specific instructional techniques and procedures that a teacher may use in the classroom. They present an analysis of the teaching process into relatively discrete components that can be used in different combination in the continuous flow of the teacher's performance.)

৩) Joyce আৰু Weil ৰ মতে, "শিক্ষাদান কৌশল হ'ল কিছুমান নিৰ্দিষ্ট শিক্ষাদানমূলক আচৰণ যি শিক্ষাদান আৰ্হিক ফলপ্ৰসূ আৰু অনন্য কৰি তোলাত অৰিহণা যোগায়।" (Teaching skill is particular teaching behaviour that contributes to the effectiveness and uniquenees of teaching model.)

৪) B.K. Passi ৰ মতে, "শিক্ষাদান কৌশল হ'ল শিক্ষাদানমূলক কাৰ্য বা আচৰণৰ এক সমষ্টি যাক শিক্ষাৰ্থীৰ শিক্ষা গ্ৰহণ সুচল কৰাৰ অভিপ্ৰায়েৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সম্পাদন কৰা হয়।" (Teaching skills are a group of teaching acts or behaviour intended to facilitate pupils' learning directly or idirectly.)

ওপৰৰ মত সমূহ বিশ্লেষণ কৰিলে দেখা যায় যে শ্ৰেণীকক্ষত শিক্ষকে শিক্ষাৰ্থীৰ শিক্ষাগ্ৰহণ সহজ কৰি তুলিবলৈ প্ৰদৰ্শন কৰা কেতবোৰ আচৰণৰ সমষ্টিয়েই হ'ল শিক্ষাদান কৌশল।

## শিক্ষাদান কৌশলৰ বৈশিষ্ট্য (Characteristics of Teaching Skills)

শিক্ষাদান কৌশলৰ কেতবোৰ বৈশিষ্ট্য আছে। তলত এইবোৰৰ চমু আলোচনা আগবঢ়োৱা হ'ল।

**১) আচৰণৰ সমষ্টি** (Set of Behaviour)

শিক্ষাদান কৌশল হ'ল শিক্ষকে শ্ৰেণীকোঠাত প্ৰদৰ্শন কৰা কেতবোৰ পৰস্পৰ সম্পৰ্কযুক্ত আচৰণৰ সমষ্টি।

**২) শিক্ষাগ্ৰহণ ৰুচি পূৰ্ণ কৰি তোলে** (Makes Learning Interesting)

শিক্ষাৰ্থীৰ শিক্ষাগ্ৰহণ সহজ আৰু ৰুচিপূৰ্ণ কৰি তুলিবলৈ শিক্ষাদান কৌশলসমূহ প্ৰয়োগ কৰা হয়।

**৩) নিৰ্দেশনাত্মক কৌশল তথা পদ্ধতি** (Instructional Techniques or Procedures)

শিক্ষাদান কৌশল হ'ল শ্ৰেণীকক্ষৰ বিশেষ কিছুমান নিৰ্দেশনাত্মক কৌশল তথা পদ্ধতি।

**৪) শিক্ষাদানমূলক কাৰ্যৱলী** (Teaching Activity)

শিক্ষাদান কৌশল হ'ল শিক্ষাৰ্থীৰ আচৰণৰ আকাংক্ষিত ৰূপান্তৰ ঘটাবলৈ সম্পাদন কৰা কিছুমান বিশেষ শিক্ষাদানমূলক কাৰ্যৱলী।

**৫) অনুশীলনৰ প্ৰয়োজনীয়তা** (Need of Practice)

শিক্ষাদান কৌশলসমূহ আয়ত্ব কৰিবলৈ অনুশীলনৰ প্ৰয়োজন।

**৬) অনুশিক্ষণৰ পৰিণাম স্বৰূপ** (Result of Micro-Teaching)

শিক্ষাদান কৌশলসমূহে অনুশিক্ষণৰ যোগেদি অৱতাৰণা লাভ কৰে।

**৭) শিক্ষাদানৰ জটিলতা হ্ৰাস** (Reduces Complexity of Teaching)

শিক্ষাদান কৌশলসমূহে শিক্ষাদানৰ জটিলতা লাঘৱ কৰি তোলে।

**৮) আত্মবিশ্বাস বৃদ্ধি** (Increases Self-Confidence)

শিক্ষাদান কৌশলসমূহে শিক্ষকৰ আত্মবিশ্বাস দৃঢ় কৰে।

**৯) উপকৌশলৰ সমষ্টি** (Set of Components)

প্রতিটো শিক্ষাদান কৌশলতে কিছুমান উপকৌশল সাঙুৰ খাই থাকে।

**১০) শিক্ষাদান ফলপ্রসূ কৰি তোলে** (Makes Teaching Effective)

শিক্ষাদানৰ সামগ্রিক প্রক্রিয়াটো ফলপ্রসূ কৰি তোলাত শিক্ষাদান কৌশলৰ বৰঙণি অপৰিসীম।

**১১) বিশেষ উদ্দেশ্য পূৰণ** (Fulfills Specific Objectives)

শিক্ষাদান কৌশলে শিক্ষাদানৰ বিশেষ উদ্দেশ্যসমূহ পূৰণ কৰে।

## ১.১.৩ শিক্ষাদান কৌশলৰ গুৰুত্ব (Importance of Teaching Skills)

শিক্ষাদানৰ দৰে এটা জটিল কাৰ্য ফলপ্রসূতাৰে সম্পাদন কৰিবলৈ হ'লে কিছুমান কৌশল আয়ত্ব কৰিবই লাগিব। অন্যথা বিষয়বস্তুৰ সম্পৰ্কে থকা শিক্ষকৰ গভীৰ জ্ঞানো ফুটুকাৰ ফেনৰ দৰে হ'ব। তলত শিক্ষাদান কৌশলৰ গুৰুত্বসমূহ চমুকৈ উল্লেখ কৰা হ'ল।

১) শিক্ষাদান কৌশলে শিক্ষাদান কাৰ্যৰ জটিলতা হ্রাস কৰাত সহায় কৰে।

২) শিক্ষাদান কৌশলে শিক্ষাদান কাৰ্যৰ প্রতি শিক্ষকক আত্মবিশ্বাসী কৰি তোলে।

৩) শিক্ষাদান কৌশলে শিক্ষকৰ আচৰণৰ আকাংক্ষিত ৰূপান্তৰ ঘটোৱাত সহায় কৰে।

৪) শিক্ষাদান কৌশলে শিক্ষাদান কাৰ্যৰ প্রতি থকা শিক্ষকৰ ভয়, শংকা আদি লাঘৱ কৰি তোলে।

৫) শিক্ষাদান কৌশলে শিক্ষণীয় বিষয়বস্তুৰ ফলপ্ৰসূ উপস্থাপনত সহায় কৰে।

৬) শিক্ষাদান কৌশলে শিক্ষাদান আৰু শিক্ষা গ্ৰহণ কাৰ্য সহজ আৰু ৰুচিপূৰ্ণ কৰি তোলে।

৭) শিক্ষাদান কৌশলৰ সঠিক প্ৰয়োগে শ্ৰেণীকক্ষৰ নানান সমস্যা সমাধান কৰি তোলে।

৮) শিক্ষাদান কৌশলসমূহৰ আয়ত্বকৰণে শিক্ষকক শ্ৰেণীকোঠাৰ সামগ্ৰিক পৰিবেশ সুন্দৰ আৰু উপযোগীকৈ সংৰচনা কৰাত সহায় কৰে।

৯) শিক্ষাদান কৌশলে শিক্ষকক শ্ৰেণীকোঠাৰ সু-পৰিচালনা কৰাত সহায় কৰে।

১০) শিক্ষাদান কৌশলে শিক্ষাদানৰ সামগ্ৰিক প্ৰক্ৰিয়াটো ফলপ্ৰসূ কৰি তোলাত সহায় কৰে।